**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

*Headlines*

১। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ লগতে অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ টা বিধানসভা সমষ্টিত উপ-নিৰ্বাচনৰ দিন ঘোষণা।

২। ঐশ্বৰ্য-বিভূতিৰ কামনাৰে আজি ৰাজ্যজুৰি শ্ৰীশ্ৰী লক্ষ্মীপূজা পালন।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৩ দিনৰ ভিতৰতে ২৪ লাখ ১৬ হাজাৰ টকা ৰাজহ সংগ্ৰহ।

আৰু

৪। বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

0000000

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ টা বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অহা ১৩ নৱেম্বৰত ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবেও অহা ১৩ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই বিষয়ে সবিশেষ জনাইছে আমাৰ নগাঁৰৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই –

(ভইচ)

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনি-দিনীয়া আলজেৰিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি ম'ৰিটানিয়ালৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমতী মুৰ্মুৰে ভাৰত আৰু আলজেৰিয়াৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে দেশখনৰ শীৰ্ষ নেতৃবৰ্গ আৰু প্ৰতিনিধিসকলৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা আমাৰ সংবাদদাতাই জনাইছে যে শ্ৰীমতী মুৰ্মুৰে দিনজোৰা ম'ৰিটানিয়া ভ্ৰমণৰ সময়ত কেইবাটাও অনুষ্ঠানত অংশ ল'ব। ভ্ৰমণ কালত তেওঁ ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্ড গজৌৱালী আৰু অন্য নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব।

বিদেশ মন্ত্ৰালয়ে কৈছে যে ৰাষ্ট্ৰপতিৰ আলজেৰিয়া ভ্ৰমণ ঐতিহাসিক আছিল। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে কয় যে এই ভ্ৰমণে উভয় দেশৰ মাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্কত গতি প্ৰদান কৰিব। তেওঁ লগতে কয় যে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীত আলজেৰিয়াৰ সদস্য-পদক লৈ আলোচনা হ'লে ভাৰতে ইয়াৰ সমৰ্থন কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত কাইলৈ মলাৱিত উপস্থিত হ'ব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ  সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই এই যাত্ৰাৰ মূল উদ্দেশ্য।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ আহিব। ভ্ৰমণকালত শ্ৰী ধনখড়ে মুখ্য অতিথি হিচাপে শ্বিলঙৰ মাওদিয়াংদিয়াঙত মেঘালয় দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্বিলঙৰ তথ্য প্ৰযুক্তি উদ্যান আৰু ৰাজভৱন পৰিদৰ্শন কৰিব আৰু মুখ্যমন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটৰ পৰা লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। গুৱাহাটী মহানগৰীতো বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰা হ'ব। এই উপলক্ষে বজাৰসমূহত লক্ষ্মী দেৱীৰ মূৰ্তিৰ লগতে পূজাৰ সামগ্ৰীৰে ভৰি পৰিছে। এই বিষয়ে অধিক জনাইছে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই-

ভইচ কাষ্ট

প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ বিভিন্ন স্থানত অৱস্থিত লক্ষ্মী মন্দিৰত ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ঠাইবিশেষে ৩ৰ পৰা ৭দিনীয়া কাৰ্যসূচীৰে এই পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ পৰম্পৰাগত ৰীতি-নীতিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদি অনুষ্ঠিত হ'ব। জিলাখনৰ কেওটকুছিত সাদিনীয়াকৈ লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। আনহাতে হাউলীৰ ন-মাটি সত্ৰ, মৌটুপুৰী, হালাপাগুৰি আদিতো লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

ইফালে, চিৰাং জিলাৰ ঐতিহাসিক বিজনী চহৰৰ বিজনী শ্ৰীশ্ৰী লক্ষ্মী পূজা কমিটীৰ উদ্যোগত আজিৰে পৰা ১৩৩ সংখ্যক শ্ৰীশ্ৰী লক্ষ্মী পূজা আৰু মেলা মহোৎসৱ ১২-দিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। আনহাতে, কাজলগাঁও লক্ষ্মী পূজা আৰু ব্ৰহ্ম মন্দিৰতো আজিৰে পৰা ১২ দিনীয়াকৈ শ্ৰীশ্ৰীলক্ষ্মী আৰু মেলা মহোৎসৱ আৰু ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ৰোকাখাটা সাৰ্বজনীন লক্ষ্মী মন্দিৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৩ দিনৰ ভিতৰতে ২৪ লাখ ১৬ হাজাৰ টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কেৱল জীপ চাফাৰীৰ জৰিয়তে বন বিভাগে দেশী-বিদেশী পৰ্যটকৰ পৰা এই ৰাজহ সংগ্ৰহ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে দুৰ্গোৎসৱৰ সময়ছোৱাত কাজিৰঙালৈ অধিক সংখ্যক দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৰ্যটনৰ এই গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষসমূহত অক্টোবৰ মাহৰ প্ৰথম ভাগতেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰি আহিছে। যাৰ ফলত পৰ্যটকৰ আগমনৰ

ক্ষেত্রত উদ্যানখনে নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে বিগত বৰ্ষত ৩ লাখ ২৭ হাজাৰ ৪৯৩ গৰাকী পৰ্যটকৰ আগমন ঘটিছিল।

০০০০০০০০

দৰং জিলাৰ ঐতিহ্যমণ্ডিত দেৱানন্দ সত্ৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মথনী উৎসৱৰ আয়োজন কৰা হৈছে। পৰম্পৰা আৰু পূৰ্বৰ বিধি অনুসৰি আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ পালন কৰা হয়। মহাভাৰতত বৰ্ণিত দধিমন্থন আৰু সাগৰমন্থন আখ্যানৰ আলমত সামগ্ৰিকভাৱে পালন কৰা হয় এই মথনী উৎসৱ। মূল উৎসৱৰ আগনিশা পালন কৰা হয় দধিমন্থন আৰু মূল মথনী উৎসৱৰ দিনা নিশা পালন কৰা হয় সাগৰ মন্থন। এইবাৰ এই উৎসৱ উদযাপন উপলক্ষে চিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীক সভাপতি আৰু উৎপল গোস্বামীক সম্পাদক হিচাপে লৈ বিস্তৃত কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হ'ব।

০০০০০০

তিনিচুকীয়া জিলাৰ বাৰেকুৰিত অহা ২৩ আৰু ২৪ অক্টোবৰত দুদিনীয়াকৈ বিশ্ব হলৌ দিৱস উদযাপন কৰা হ'ব। এই দিৱস উদযাপন সন্দৰ্ভত তিনিচুকীয়া জিলা আয়ুক্তৰ সভাকক্ষত কালি এখন সভা অনুষ্ঠিত হয়। সভাত বিধায়ক বলিন চেতিয়া, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত কালি ৰাজ্য চৰকাৰৰ কেইবাখনো ধ্বজাবাহী আঁচনি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। গোলাঘাট জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোলাঘাট জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুনকৈ ৰেচন কাৰ্ড পাবৰ বাবে জমা হোৱা প্ৰপত্ৰ আৰু ডিজিটেলাইজেশ্যনৰ খতিয়ান লোৱা হয়।

০০০০

অসম চৰকাৰে আয়োজন কৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পৰাকৈ কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে জিলাখনৰ সকলো শিক্ষানুষ্ঠানলৈ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি dsywassam.com/khel2.0 লিংকৰ জৰিয়তে বিদ্যালয়সমূহক ছাত্ৰ-ছাত্ৰীসকলক খেল মহাৰণ যোগদান কৰিবলৈ কোৱা হৈছে। তদুপৰি এই কাৰ্যসূচী সফল কৰিবলৈ প্ৰতিখন বিদ্যালয়ৰ একোগৰাকী নডেল শিক্ষক নিয়োগ কৰিবলৈ কোৱা হৈছে। মন কৰিবলগীয়া যে অসম চৰকাৰে ১৩ নৱেম্বৰৰ পৰা অহা বছৰৰ ২৩ জানুৱাৰীলৈ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ আয়োজন কৰিছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিদ্যালয় শিক্ষা বিভাগ আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ সৈতে কালি এখন বৈঠকত অংশগ্ৰহণ কৰি স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ বাবে টেট তথা নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়া পৰ্যালোচনা কৰে। অহা ২১ অক্টোবৰত www.madhyamik.assam.gov.in ৱেৱছাইটযোগে স্নাতক শিক্ষকৰ ৮ হাজাৰ ২৩০ টা আৰু স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে অনলাইন আবেদন গ্ৰহণ আৰম্ভ হ'ব।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাত জিলাখনৰ কৃষি, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নিয়োগ বিনিময় কেন্দ্ৰ, মীন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, পৰিবহণ আৰু জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ আদি বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে বিতংভাৱে

আলোচনা কৰা হয়। সভাত আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজসমূহ নিয়াৰিকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন স্থানীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰবেশ কৰাৰ সম্ভাৱনা প্ৰৱল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

oooooo

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব। ভাৰতৰ নিৰ্বাচন আয়োগে কালি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ লগতে অসমকে ধৰি ১৫খন ৰাজ্যৰ ৪৮টা বিধানসভা আৰু দুটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই বাতৰিটো **দৈনিক অসম, দি আছাম ট্ৰিবিউন** আৰু **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দৰদী শিল্পী জয়ন্ত হাজৰিকাক মঙলবাৰে তেওঁৰ ৪৭ সংখ্যক মৃত্যু দিৱসত শ্ৰদ্ধাৰে স্মৰণ কৰিলে অসমবাসীয়ে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। জয়ন্ত হাজৰিকাৰ ডিঙিত আছিল এটা কলম আৰু সেইটোৰে তেওঁ সুৰ আঁকিছিল শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে একেটা বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

এজমা, টিবি, থেলাছেমিয়া, গ্লুকমা আদি ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা ৮বিধ গুৰুত্বপূৰ্ণ ঔষধৰ দাম বৃদ্ধিৰ সিদ্ধান্ত লৈছে চৰকাৰে। দেশৰ ঔষধৰ দাম নিয়ন্ত্ৰণ কৰা এন-পি-পিয়ে এই ৮বিধ ঔষধৰ সৰ্বাধিক দাম ৫০ শতাংশ বৃদ্ধিৰ সিদ্ধান্ত লয়। **দৈনিক জনমভূমি** কাকতে এই বাতৰিটো ঔষধৰ দাম বৃদ্ধিৰে জনতাক পুনৰ মাধমাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে ৮বিধ অত্যাৱশ্যকীয় ঔষধৰ ৫০ শতাংশ মূল্যবৃদ্ধি শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৩ দিনৰ ভিতৰতে ২৪ লাখ ১৬ হাজাৰ টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কেৱল জীপ চাফাৰীৰ জৰিয়তে বন বিভাগে দেশী-বিদেশী পৰ্যটকৰ পৰা এই ৰাজহ সংগ্ৰহ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে দুৰ্গোৎসৱৰ সময়ছোৱাত কাজিৰঙালৈ অধিক সংখ্যক দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

ooooo

**সমাপ্ত**